**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ আজমেৰত ১৪ বছৰীয়া কিশোৰীৰ বাবে ৰাষ্ট্ৰীয় এইচ পি ভি প্ৰতিষেধক অভিযান আৰম্ভ কৰিব।

২। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি গুজৰাট ভ্ৰমণ কৰি ছানন্দত মাইক্ৰ'ন ছেমি কণ্ডাক্টৰ টেকন'লজী ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ ছেমি কণ্ডাক্টৰৰ প্ৰকল্প মুকলি কৰিব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি বিহাৰৰ ভাৰত-নেপাল সীমান্তৰ জিলাসমূহৰ নিৰাপত্তা সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়।

৪। দিল্লী আবকাৰী নীতিৰ গোচৰৰ সৈতে জড়িত আম আদমী পাৰ্টিৰ নেতাসকলক দোষমুক্ত কৰাৰ পাছতে এই ৰায়ৰ প্ৰত্যাহ্বান জনাই কেন্দ্ৰীয় তদন্তকাৰী সংস্থা দিল্লী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে।

*আৰু*

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ডে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ আজমেৰত ১৪ বছৰীয়া কিশোৰীৰ বাবে ৰাষ্ট্ৰীয় এইচ পি ভি প্ৰতিষেধক অভিযান আৰম্ভ কৰিব। প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাক শক্তিশালী কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশতে জৰায়ুৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অভিযানৰ লক্ষ্য হৈছে প্ৰতিবছৰে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১৪ বছৰীয়া প্ৰায় এক কোটি ১৫ লাখ কিশোৰীক প্ৰতিষেধক প্ৰদান কৰা। এই প্ৰতিষেধক চৰকাৰী স্বাস্থ্য কেন্দ্ৰসমূহত বিনামূলীয়াকৈ উপলব্ধ হ'ব। এই টীকাকৰণ আয়ুষ্মান আৰোগ্য মন্দিৰ, সামূহিক স্বাস্থ্য কেন্দ্ৰ, উপ-জিলা আৰু জিলা হাস্পতালসমূহৰ লগতে চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত দিয়া হ'ব।

এই টীকাকৰণ স্বেচ্ছামূলক হ'ব আৰু অভিভাৱকৰ পৰা সন্মতি লাভ কৰিব লাগিব। জৰায়ুৰ কৰ্কট ৰোগত প্ৰতিবছৰে এক লাখ ২০ হাজৰৰো অধিক মহিলা আক্ৰান্ত হয় আৰু প্ৰায় ৮০ হাজাৰ আক্ৰান্তৰ মৃত্যু হয়। উল্লেখযোগ্য যে প্ৰায় সকলো ৰোগীয়েই অতি বিপদজনক হিউমেন পেপিল'মা ভাইৰাছৰ স্থায়ী সংক্ৰমণৰ ফলত এই ৰোগত আক্ৰান্ত হয়। দেশজুৰি চলিবলগীয়া এইচ পি ভি টীকাকৰণ কাৰ্যসূচীয়ে এই ৰোগৰ সৈতে পোনপটীয়াকৈ মোকাবিলা কৰিব আৰু ৰোগ সংক্ৰমণ হোৱাৰ আগতেই প্ৰতিৰোধ কৰিব।

ৰাজস্থান ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে আজমেৰত ১৬ হাজাৰ ৬৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা প্ৰকল্প উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ নগৰ উন্নয়ন, খোৱাপানী যোগান, পথ, জলসম্পদ, শক্তি, ঔদ্যোগিক আন্তঃগাঁথনি আদিৰ সৈতে জড়িত। পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প মুকলি কৰিব। ইয়াৰ লগতে সকলোৰে বাবে

সুৰক্ষিত আৰু বিশুদ্ধ খোৱাপানী যোগান নিশ্চিত কৰাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰীয়ে কেইবাটাও পানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীয়ে ৰাজস্থানৰ বিভিন্ন চৰকাৰী বিভাগত নিযুক্তি লাভ কৰা ২১ হাজাৰ ৮০০ৰো অধিক যুৱক-যুৱতীক নিযুক্তিপত্ৰ বিতৰণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটো ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ কালছোৱাত প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ ছানন্দত মাইক্ৰ’ন ছেমি কণ্ডাক্টৰ টেকন’লজী ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ ছেমি কণ্ডাক্টৰৰ প্ৰকল্প মুকলি কৰিব। মুঠ ২২ হাজাৰ ৫০০ কোটি টকাতকৈও অধিক ব্যয়ৰে ছানন্দ এ টি এম পি সুবিধাই মাইক্ৰ’নৰ গ্লোবেল মেনুফেকচাৰিং নেটৱৰ্কৰ পৰা উন্নত ডাইনেমিক ৰেণ্ডম এক্সেছ মেম’ৰি আৰু এন এ এণ্ড ডি ছেমি কণ্ডাক্টৰ ৱেফাৰক সম্পূৰ্ণ মেম’ৰি আৰু ষ্টৰেজ প্ৰডাক্টলৈ ৰূপান্তৰ কৰিব। শ্ৰীমোদীয়ে এই উপলক্ষে আয়োজিত সভাত ভাষণো দিব।

০০০০০

ভাৰতীয় চিকিৎসা সংস্থা চমুকৈ আই এম এয়ে সমগ্ৰ দেশতে ১৪ বছৰ বয়সৰ কিশোৰীক বিনামূলীয়াকৈ এইচ পি ভি প্ৰতিষেধক  প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তক প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা এখন পত্ৰত আই এম এই কয়, যে এই পদক্ষেপে জৰায়ুৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত অৰিহণা যোগাই ভাৰতৰ লাখ লাখ মহিলাৰ স্বাস্থ্য আৰু জীৱন সুৰক্ষিত কৰিব। দেশজুৰি এই টীকাকৰণ চলিবলগীয়া ১৮ শতাধিক স্থানীয় শাখাৰ সৈতে আই এম এ- এই উন্নত ৰাষ্ট্ৰীয় অভিযানক সমৰ্থন কৰিবলৈ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলিও এই পত্ৰযোগে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি বিহাৰৰ ভাৰত-নেপাল সীমান্তৰ জিলাসমূহৰ নিৰাপত্তা সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত সীমান্ত ব্যৱস্থাপনা আৰু অবৈধ কাম-কাজ নিৰীক্ষণৰ বাবে সতৰ্কতা ব্যৱস্থা বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰা হয় বুলি গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰে। এই বৈঠকত সীমান্ত অঞ্চলৰ অবৈধ কাৰ্যকলাপ, প্ৰব্ৰজন, ভাৰতীয় জালনোট, ধনৰ অবৈধ সৰবৰাহ বন্ধ কৰাৰ বাবে বিভিন্ন সংস্থাৰ মাজত সমন্বয়ৰ পোষকতা কৰা হয়। গৃহমন্ত্ৰীগৰাকীয়ে বন আৰু জনসংখ্যাৰহিত এলেকাত কৰা অবৈধ নিৰ্মাণ তথা ন’ মেনছ লেণ্ড হোৱা দখল উৎখাত কৰাৰ বাবে শূন্য সহনশীলতাৰ নীতি গ্ৰহণৰ  কঠোৰ নিৰ্দেশ দিয়ে। সূত্ৰটোৱে লগতে কয়, যে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ নিৰীক্ষণৰ পাছত লাভ কৰা মৃত্যুৰ সম্পৰ্কীয় তথ্যসমূহৰ সত্যতা নিৰূপণৰ প্ৰয়োজন আছে। যদিহে কোনো লোক প্ৰব্ৰজিত বুলি নথিত উল্লেখ আছে কিন্তু সত্যতা নিৰীক্ষণৰ সময়ত ব্যক্তিজন শাৰীৰিকভাৱে উপস্থিত নাই তথা বৈধ ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা ভুলবশতঃ যাতে বাদ পৰি নাযায় তাৰ বাবে ঘৰে ঘৰে গৈ জৰীপ কৰাৰ সিদ্ধান্ত লোৱা হয়। নিজ এলেকাৰ ভিতৰত থকা কো-অপাৰেটিভ বেংককে ধৰি সকলো ধৰণৰ বেংকৰ আইনী আৰু বিত্তীয় নিৰ্দেশনা মানি চলাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা দণ্ডাধীশৰ দায়িত্বৰ পৰিসৰ বৃদ্ধি কৰা হৈছে। নগদ ধনৰ লেনদেন আৰু বেংক একাউণ্টৰ সৈতে পান কাৰ্ডৰ সংযোগৰ ক্ষেত্ৰত ৰিজাৰ্ভ বেংকে জাৰি কৰা সকলো নীতি-নিয়মেই বেংকসমূহে মানি চলিব লাগিব।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচী লৈ কেৰালাম ভ্ৰমণ কৰিব। আজি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ছাংগানাচেৰিৰ ছেণ্ট বাৰ্চমেনছ মহাবিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কাইলৈ শ্ৰীৰাধাকৃষ্ণনে ট্ৰিছুৰৰ দেৱমাথা চি এম আই পাব্লিক স্কুলত চেতনা গণাশ্ৰমৰ আধাৰশিলা স্থাপন কৰিব তেওঁ তিৰুৱানন্তপুৰমত ছেণ্ট ষ্টিফেন বিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপন সমাৰোহতো অংশগ্ৰহণ কৰিব।

০০০০০

দিল্লী আবকাৰী নীতিৰ গোচৰৰ সৈতে জড়িত আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাল, দলৰ নেতা মনীষ ছিছ'দিয়া আৰু আন আন সকলক দোষমুক্ত কৰাৰ পাছতে এই ৰায়ৰ প্ৰত্যাহ্বান জনাই কেন্দ্ৰীয় তদন্তকাৰী সংস্থা দিল্লী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। নিম্ন আদালতে এই নিৰ্দেশ গৃহীত কৰাৰ কেইঘণ্টামানৰ পাছতেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০

বিগত ১১ বছৰত ভাৰতৰ শক্তি আৰু সামৰ্থৰ দিশবোৰ চিনাক্ত কৰা হৈছে আৰু চৰকাৰে ইয়াক বাস্তৱত ৰূপায়িত কৰাৰ অৰ্থে অহৰহ কাম কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত এই কথা প্ৰকাশ কৰি কয়, যে বিশ্বৰ বিভিন্ন দেশে ভাৰতৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিবলৈ আগবাঢ়ি আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ আত্মবিশ্বাসৰ প্ৰতি আস্থা ৰাখি উন্নত দেশসমূহে ভাৰতৰ সৈতে অতি আগ্ৰহেৰে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছে। তেওঁ কয়, যে পূৰ্বতে ভাৰতে পশ্চিমীয়া দেশসমূহৰ মুখলৈ চাইছিল। স্বাধীনতাৰ পাছতো এই মানসিকতাৰ পৰা আঁতৰি আহিব পৰা নাছিল। কিন্তু বৰ্তমান ভাৰতে এই মানসিকতা বৰ্জন কৰিব পাৰিছে আৰু থলুৱা উদ্ভাৱন তথা উৎপাদন সামৰ্থৰে দ্ৰুতগতিত বিকাশৰ দিশে আগবাঢ়িছে।

০০০০০

চলিত বিত্তীয় বৰ্ষৰ তৃতীয়টো ত্ৰিমাসিকত ভাৰতীয় অৰ্থনীতিয়ে ৭ দশমিক ৮ শতাংশ বিকাশ লাভ কৰিছে। বাস্তৱিক মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ২০২৪-২৫ বৰ্ষৰ ৭ দশমিক ১ শতাংশৰ তুলনাত ২০২৫-২৬ বৰ্ষত ৭ দশমিক ৬ শতাংশ হ'ব বুলি আশা কৰা হৈছে। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে কালি ২০২২-২৩ বৰ্ষক ভিত্তিবৰ্ষ হিচাপে ধৰি লৈ বাৰ্ষিক আৰু ত্ৰিমাসিক আনুমানিক হিচাপৰ নতুন শৃংখলা মুকলি কৰে। ২০১১-১২ বৰ্ষত ভিত্তিবৰ্ষ হিচাপে ধৰি লৈ প্ৰকাশ কৰা পূৰ্বৰ শৃংখলাৰ ঠাইত নতুন শৃংখলা প্ৰকাশ কৰা হৈছে। কোভিড মহামাৰীৰ পাছত স্বাভাৱিক বৰ্ষ হিচাপে ২০২২-২৩ বৰ্ষক ভিত্তিবৰ্ষ হিচাপে ধৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। চলিত বিত্তীয় বৰ্ষত সামগ্ৰিক আৰ্থিক প্ৰদৰ্শনৰ বাবে দ্বিতীয় ত্ৰিমাসিকত ৮ দশমিক ৪ শতাংশ আৰু তৃতীয় ত্ৰিমাসিকত ৭ দশমিক ৮ শতাংশ বৃদ্ধি হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা তিনিটা বিত্তীয় বৰ্ষত অৰ্থব্যৱস্থা সুদৃঢ় কৰাৰ ক্ষেত্ৰত নিৰ্মাণ খণ্ডৰ মুখ্য ভূমিকা আছে। ২০২৩-২৪ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত এই খণ্ডটোৱে দুটা অংকৰ বিকাশৰ হাৰ লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বিত্তীয় বৰ্ষত দ্বিতীয়ক আৰু তৃতীয়ক খণ্ডই ৯ শতাংশৰো অধিক বিকাশৰ হাৰ লাভ কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বাণিজ্য, হোটেল, পৰিবহন, যোগাযোগ আৰু প্ৰচাৰকে ধৰি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত সেৱা খণ্ডই ২০২৫-২৬ বিত্তীয় বৰ্ষত ১০ দশমিক ১ শতাংশ হাৰত বিকাশ লাভ কৰিছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত কালি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ডে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে বান্ধি দিয়া ১৬০ ৰানৰ লক্ষ্য ইংলেণ্ডে ৬টা উইকেটৰ বিনিময়ত ১৯ অভাৰ ৩টা বলতে সম্পূৰ্ণ কৰে। ইংলেণ্ডৰ হৈ টম বেন্টনে সৰ্বাধিক ৩৩ ৰান কৰাৰ বিপৰীতে ৱিল জেকছে ৩২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নিউজিলেণ্ডৰ হৈ ৰাচিন ৰবীন্দ্ৰই তিনিটা উইকেট দখল কৰে।

আজি শ্ৰীলংকা পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ছুপাৰ এইটৰ এখন খেলত পাকিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰতে কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত ছুপাৰ এইটৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন ৪ আৰু মাৰ্চত আৰু ফাইনেল খেলখন ৮ মাৰ্চত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত